12/5/20

# Idealism (আদৰ্শবাদ বা আধ্যাত্মবাদ)

আদৰ্শবাদ পাশ্চাত্য দৰ্শনৰ এটা অংগ। এই ধাৰণাটো অতি পুৰণি। বৰ্তমানেও এই দৰ্শনে মানুহৰ চিন্তা-জগতত প্ৰভাৱ বিস্তাৰ কৰিছে। Swami Vivekananda, Mahatma Gandhi, Rabindra Nath Tagore, Sri Aurobinda, Socrates, plato, Fitche, kant, Froebel, Hegel Spinoza আদি হৈছে আদৰ্শবাদৰ সমৰ্থক।

এই দৰ্শনে 'মন' আৰু 'আত্মাক' অধিক গুৰুত্ব দিয়ে। আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে বস্তুবাদী জগতখন পৰিবৰ্তনশীল। তেওঁলোকৰ মতে সত্য আৰু ধাৰণাহে সত্য আৰু অপৰিবৰ্তনীয়। তেওঁলোকৰ মতে, যিটো 'সত্য' আৰু 'উপযুক্ত' সেইটোৱে প্ৰকৃততে সুন্দৰ এই দৰ্শনে শৰীৰতকৈ মনৰ ওপৰত অধিক প্ৰাধান্য দিছে আৰু ধাৰণাত সত্যৰ উপলব্ধি। এই দৰ্শনে বিবৰ্তনক বিশ্বাস কৰে আৰু এই বিবৰ্তনৰ চূড়ান্ত লক্ষ্য হ'ল আত্মাৰ জগতে উপলব্ধি, ই নিম্ন পৰ্যায়ৰ জীৱ-জন্তুৰ পৰা উচ্চ পৰ্যায়ৰ জীৱ-জন্তুলৈ হোৱা বিকাশ নহয়। 'মন' প্ৰভাৱিত হয় নৈতিকতা আৰু আদৰ্শৰ দ্বাৰা। তেওঁলোকৰ মতে প্ৰকৃতি হ'ল অসম্পূৰ্ণ অৱস্থা। ই কিছুমান সত্যৰ ওপৰত নিৰ্ভৰশীল। সত্য হ'ল মানসিক।

## Principles of Idealism

i) সকলো সৃষ্টিৰ মূল উৎস হ'ল ভগৱান।
ii) জ্ঞানৰ উৎস হ'ল পৰম সত্বা।
iii) আত্মা আৰু মনে যথাৰ্থতা বা প্ৰকৃত সত্য প্ৰতিষ্ঠা কৰে।
iv) বিশ্বৰ প্ৰত্যক্ষ বা ভৌতিক জগতখন পূৰ্ণ প্ৰকাশ নহয়।
v) এই দৰ্শন হ'ল ধাৰণা আৰু মূল্যৰ সাৰ্বজনীন ৰূপ।
vi) মূল্যবোধ যথাৰ্থ আৰু অপৰিবৰ্তনীয়।
vii) যথাৰ্থতা ভৌতিক জগতটোক মানুহৰ মনতহে উপলব্ধি কৰিব পৰা যায়।
viii) ভৌতিক উপাদানৰ অধ্যয়নতকৈ মানুহৰ মন আৰু প্ৰকৃতি অধ্যয়নত অধিক গুৰুত্ব।
ix) জীৱশ্ৰেষ্ঠ মানৱ হ'ল বিশ্বজগতৰ মূল কেন্দ্ৰবিন্দু। আধ্যাত্মিক জ্ঞানেৰে পৰিপুষ্ট মানৱেহে প্ৰকৃতি ~~সত্তা~~ সম্বন্ধে উপলব্ধি কৰি সত্যৰ আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে।

# Idealism in Education

Date – 14/5/20

## ① Idealism and Aims of Education:

আদৰ্শবাদ দৰ্শনৰ মতে, মানুহৰ জৈৱিক প্ৰয়োজনৰ মাজত অন্তৰ্নিহিত হৈ থকা আত্মাক উদ্ঘাটন কৰাই হৈছে এই শিক্ষাৰ মূল লক্ষ্য। ব্যক্তিৰ দেহ, মন আৰু আত্মাৰ সামগ্ৰিক বিকাশ শিক্ষাৰ দ্বাৰা সম্ভৱ। আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে নিৰ্দ্ধাৰিত শিক্ষাৰ লক্ষ্যসমূহ তলত উল্লেখ কৰা হ'ল —

i) আত্ম উপলব্ধিৰ বিকাশ সাধন:→ ইয়াৰ অৰ্থ হ'ল প্ৰত্যেক ব্যক্তিৰ শুদ্ধাশুদ্ধ বিচাৰ কৰা ক্ষমতাৰ বিকাশ সাধন কৰা

ii) ব্যক্তিত্বৰ বিকাশ সাধন:→ ব্যক্তিত্ব হ'ল সৰ্বোৎকৃষ্ট আৰু ভগৱানৰ দ্বাৰা সম্পাদিত মহৎ কাম। সেয়ে শিক্ষাই ব্যক্তিত্বৰ উন্নতিত সহায় কৰিব লাগে।

iii) সাৰ্বজনীন শিক্ষা:→ আদৰ্শবাদীসকলৰ মতে সমগ্ৰ মানৱ জাতিয়ে ঈশ্বৰৰ অৱদান। এই দৰ্শনৰ মতে জাতি-বৰ্ণ নিৰ্বিশেষে শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

iv) সাংস্কৃতিক পৰিৱেশৰ উন্নতিসাধন আৰু জ্ঞান অন্বেষণ:→ সাংস্কৃতিক পৰিৱেশৰ স্ৰষ্টা হ'ল মানৱ পৰিমণ্ডল। ই মানুহৰ সৃজনশীল কাৰ্য্যৰ ফল। সেয়েহে শিক্ষাৰ জৰিয়তে সংস্কৃতিৰ অভ্যন্তৰৰ শিক্ষা প্ৰদান কৰিব লাগে।

v) ইচ্ছা শক্তিৰ বিকাশ সাধন:→ মানুহ অসীম ইচ্ছা শক্তিৰ গৰাকী। ইচ্ছাশক্তিৰে মানুহে অসাধ্য সাধন কৰিব পাৰে। সেয়ে শিক্ষাৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ সজ আৰু ইতিবাচক চিন্তাৰ বিকাশ কৰিব লাগে।

## ② Idealism and Curriculum:

আদৰ্শবাদী দাৰ্শনিকসকলে সাংস্কৃতিক, সামাজিক, মানৱীয় অনুভূতি আৰু অভিজ্ঞতা দান কৰিব পৰা বিষয়সমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাত গুৰুত্ব দিছে। মানৱ অভিজ্ঞতাক প্ৰধানতঃ তিনিটা ভাগত বিভক্ত কৰা হয় —

| সংজ্ঞানাত্মক | আনুভূতিক | ক্ৰিয়াত্মক |
|---|---|---|
| → গণিত | → সাহিত্য | → কৃষি |
| → ভূগোল | → কলা | → বাণিজ্য |
| → মনোবিজ্ঞান | → সংগীত | → প্ৰযুক্তিবিদ্যা |
| → সমাজ বিজ্ঞান | → সংস্কৃতি | → হস্ত শিল্প |

শিক্ষাবিদ্‌সকলে আদৰ্শভিত্তিক অভিজ্ঞতাসমূহক দুটা ভাগত ভাগ কৰিছে-

শিক্ষা

- শাৰীৰিক কাৰ্য্যাৱলী
  - → শৰীৰ স্বাস্থ্যবিজ্ঞান
  - → ব্যায়াম
  - → খেলা-ধূলা
- আধ্যাত্মিক কাৰ্য্যাৱলী
  - → ইতিহাস
  - → ভূগোল
  - → ভাষা
  - → সুকুমাৰ কলা
  - → নীতি শাস্ত্ৰ
  - → ধৰ্মবিজ্ঞান
  - → অংক

## ③ Idealism and Method of Teaching :

আদৰ্শবাদী দাৰ্শনিকে নতুন কোনো পদ্ধতিৰ উদ্ভাৱন কৰা নাই যদিও প্ৰচলিত পদ্ধতিসমূহকে অনুসৰণ কৰি শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিছে। যেনে—

a) প্ৰশ্নোত্তৰ পদ্ধতি b) আলোচনা চক্ৰ c) বিবৰণ
d) বক্তৃতা পদ্ধতি e) একক আৰু দলীয় প্ৰকল্প
f) অনুকৰণ g) অনুশীলন আৰু পুনৰালোচনা
h) অৰ্থ ভাঙি বুজোৱা ইত্যাদি।

## ④ Idealism and Discipline :

আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে শিক্ষা প্ৰক্ৰিয়াটো আদৰ্শকেন্দ্ৰিক হোৱা উচিত। জীৱনৰ সঠিক লক্ষ্যত উপনীত হোৱাৰ বাবে আদৰ্শবাদী দাৰ্শনিকসকলে পূৰ্ণ স্বাধীনতাৰ বিৰোধীতা কৰে। তেওঁলোকৰ মতে আত্ম উপলব্ধিৰ বাবে কঠোৰ অনুশাসনৰ প্ৰয়োজন। শিক্ষকে এনে ধৰণৰ পৰিবেশ সৃষ্টি কৰিব লাগে যাত আত্ম অনুশাসনৰ জৰিয়তে জীৱনৰ উচ্চতম মূল্যবোধৰ বিষয়ে উপলব্ধি কৰিবলৈ সক্ষম হ'ব পাৰে। ই হ'ল এক স্বয়ংক্ৰিয় প্ৰক্ৰিয়া। এই দৰ্শনে আভ্যন্তৰীণ অনুশাসনত বিশ্বাস কৰে। আত্ম অনুশাসনেই হ'ল যুৱ প্ৰজন্মৰ বাবে অতি উত্তম পুৰস্কাৰ।

## (5) Idealism and Role of Teacher :

আদৰ্শবাদ দৰ্শন অনুসৰি শিক্ষকৰ স্থান অতি উচ্চ। এই দৰ্শনে শিক্ষকক ব্ৰহ্মা, বিষ্ণু তথা মহেশ্বৰ অৰ্থাৎ ভগৱানৰ ৰূপ হিচাপে অভিহিত কৰিছে। শিক্ষাৰ্থীসকলে শিক্ষকৰ আচৰণ-স্বভাৱ, শিষ্টাচাৰ ইত্যাদিৰ দ্বাৰা প্ৰভাৱিত হয়। প্ৰকৃতাৰ্থত শিক্ষক-সকল হ'ল শিক্ষাৰ্থীৰ বন্ধু পথ প্ৰদৰ্শক আৰু নিৰ্দেশক। দাৰ্শনিক ফ্ৰ'বেলৰ মতে, বিদ্যালয়খন হ'ল এখন বাগিচা আৰু শিক্ষক হ'ল পৰিচৰ্যাকাৰী। শিক্ষাৰ্থীসকল হ'ল বাগিচাৰ বহুৰঙী ফুল। এই ফুল সদৃশ শিক্ষাৰ্থীসকলক উপযুক্ত সাৰ-পানী অৰ্থাৎ উপযুক্ত শিক্ষাৰে চৰিত্ৰ আৰু ব্যক্তিত্ব গঢ়ি তোলাৰ দায়িত্ব হ'ল মালী-সদৃশ শিক্ষক সমাজৰ।

———— o ————